[redacted]

আদিম মানৱে জংগলত যাযাবৰী জীৱন কটাই ফল-মূল সংগ্ৰহ, জীৱ-জন্তু চিকাৰ আদিৰে জীৱন নিৰ্বাহ কৰিছিল। ধুমুহা, বৰষুণ, বজ্ৰপাত আদি প্ৰাকৃতিক বিপৰ্য্যয়ৰ পৰা নিজকে ৰক্ষা কৰিবলৈ তেওঁলোকে গছৰ খোৰোঙ, গুহা আদিত আশ্ৰয় লৈছিল। চন্দ্ৰ-সূৰ্য্য-তৰা, গছ-গছনি, জীৱ-জন্তু আদি প্ৰকৃতিৰ উপাদানসমূহ আৰু বতাহ-ধুমুহা, বিজুলী-ঢেৰকনি আদি প্ৰাকৃতিক পৰিঘটনাসমূহে তেওঁলোকক কৌতুহলী কৰি তোলাৰ লগতে ভীতিগ্ৰস্তও কৰি তুলিছিল। তেওঁলোকে প্ৰকৃতিৰ উপাদান চন্দ্ৰ-সূৰ্য্য-তৰা আদি দেখি কেতিয়াবা ৰোমাঞ্চিত হৈ পৰিছিল আৰু গছৰ খোৰোঙ বা গুহাৰ গাত এঙাৰ, শিলৰ টুকুৰা আদিৰে এইবোৰৰ প্ৰতিচ্ছবি অংকন কৰিবলৈ যত্ন কৰিছিল। একেদৰে প্ৰকৃতিৰ বিভিন্ন প্ৰাকৃতিক পৰিঘটনাবোৰ দেখি তেওঁলোক ভীতিগ্ৰস্ত বা ৰোমাঞ্চিত হৈ সেই দৃশ্যবোৰক গুহাৰ বেৰ বা গছ আদিৰ গাত আঁক-বাক কৰি ধৰি ৰাখিবলৈ চেষ্টা কৰিছিল। তদুপৰি বাস্তৱ জীৱনত ঘটা ঘটনাৱলীকো এইবোৰৰ মাধ্যমেদিয়েই সজীৱ কৰি ৰাখিবলৈ যত্ন কৰিছিল। প্ৰকৃতাৰ্থত এইবোৰ পৰিবেশৰ মাজেৰে লিপিৰ জন্ম-যন্ত্ৰণা আৰম্ভ হৈছিল।

বৰ্তমান সময়তো কিছুমান সমাজত কথা মনত পেলোৱাৰ কাৰণে বেৰত আঁক দিয়া, ৰছীত বা কাপোৰত গাঁথি মৰা আদি পদ্ধতিৰ প্ৰচলন আছে। আমাৰ পুৰণি সমাজখনতো এনে প্ৰথা অৱলম্বন কৰা হৈছিল। অনাগত দিন, বাৰ, কৰিবলগীয়া কাৰ্য আদি মনত পেলাবৰ বাবে কাপোৰ বা ৰছীত গাঁথি মাৰি ৰাখিছিল; সময়ত তেওঁলোকক গাঁথিয়ে সেই বিষয়টোৰ কথা মনত পেলাই দিছিল। গাঁথিৰ জৰিয়তে এইদৰে কথা মনত ৰখাৰ পদ্ধতিটোক **গ্ৰন্থিলিপি** বুলি ক'ব পৰা যায়। দক্ষিণ আমেৰিকাৰ পেৰু দেশৰ আদিবাসীসকলৰ মাজত ইয়াৰ নিদৰ্শন স্পষ্ট ৰূপত দেখিবলৈ পোৱা যায়। দক্ষিণ আমেৰিকাৰ পেৰু দেশৰ এই আদিবাসীসকলে ৰছী এডালত বেলেগ বেলেগ ৰং লগাই বা বেলেগ বেলেগ ৰঙৰ সূতা বা মণি আদি আঁৰি দি নতুবা এডাল দীঘল লাঠি কিম্বা বাঁহ-কাঠৰ মাৰিত ভিন্ন ৰঙৰ ৰছী লগ লগাই তাত গাঁথি মাৰি বা একেডাল ৰচিতে ভিন ভিন কৈ গাঁথি মাৰি অথবা ভিন্ন দূৰত্বত গাঁথি দি উল্লেখযোগ্য বিষয়, ঘটনা আদি মনত ৰখাৰ উপৰি ব্যৱসায়-বাণিজ্যৰো প্ৰাথমিক কাৰ্য সম্পাদন কৰিছিল।

গ্ৰন্থি বা গাঁথিৰ মাজেৰে যিদৰে মনৰ ভাৱ প্ৰকাশ কৰিব পৰা যায় ঠিক তেনেদৰে একো একোটা প্ৰতীকৰ সহায়তো মানুহে এজনৰ ভাৱ আন এজনলৈ ব্যক্ত কৰিব পাৰে। উদাহৰণস্বৰূপে, ৰেলগাড়ী এখন ৰখাবলৈ বা যাবলৈ দিব লগা হ'লে ৰেলৰ গাৰ্ডজনে ৰঙা বা সেউজীয়া ৰঙৰ পতাকা এখন ব্যৱহাৰ কৰে। আনহাতে, বাতৰি কাকত এখনত কাৰোবাৰ মৃত্যুৰ বাতৰি প্ৰকাশ কৰোঁতে কাকতখনৰ চাৰিওফালে ক'লা আঁচ টানি দিয়ে। সেইদৰে কোনো বিখ্যাত লোকৰ মৃত্যু হ'লে শোক প্ৰকাশৰ বাবে পতাকা অৰ্ধনমিত কৰি ৰাখে। এনেদৰে প্ৰতীকৰ সহায়েৰে ভাৱ প্ৰকাশ কৰিব পৰা পদ্ধতিটোকে **প্ৰতীকাত্মক** লিপি বুলি অভিহিত কৰিব পৰা যায়। গ্ৰন্থিলিপি আৰু প্ৰতীকাত্মক লিপিৰ জৰিয়তে যদিওবা এজনৰ মনৰ ভাৱ আনজনলৈ ব্যক্ত হয় তথাপি ইয়াক প্ৰকৃতাৰ্থত লিপি বুলি অভিহিত কৰিব পৰা নাযায়। দৰাচলতে, এইবোৰ আছিল লিপিৰ উদ্ভৱৰ প্ৰস্তুতি-ক্ৰিয়া।

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

## ৪ লিপিৰ শ্ৰেণীবিভাগ

উদ্ভৱ আৰু ক্ৰমবিবৰ্ত্তনৰ ইতিহাস লক্ষ্য কৰি লিপিৰ বিকাশক প্ৰধানকৈ কেইটামান গত ভাগ কৰিব পৰা যায়। এই ভাগকেইটা হ'ল—

ক) চিত্ৰলিপি
খ) ভাৱমূলক লিপি
গ) ভাৱ-ধ্বনিমূলক লিপি
ঘ) ধ্বনিমূলক লিপি

লিপিৰ বিকাশৰ এই স্তৰসমূহৰ বিষয়ে তলত আলোচনা দাঙি ধৰা হ'ল—

**চিত্ৰলিপি ঃ** চিত্ৰৰ সহায়ত মনৰ ভাৱ প্ৰকাশ কৰাৰ যিটো ক্ষমতা তাকেই **চিত্ৰলিপি** বুলি ভিহিত কৰিব পাৰি। চিত্ৰলিপি লেখন কলাৰ প্ৰথম স্তৰ। আকৌ, চিত্ৰলিপিৰ পৰাই চিত্ৰকলাৰ তহাসো আৰম্ভ হোৱা বুলি ক'ব পাৰি। আদিম মানৱে প্ৰকৃতিৰ বিভিন্ন উপাদানসমূহক লক্ষ্য ৰিয়েই প্ৰথমাৱস্থাত সেইবোৰৰ প্ৰতিচ্ছবি অংকন কৰিবলৈ চেষ্টা কৰিছিল। তাৰ ভিতৰত ানভাৱে জীৱ-জন্তু, চৰাই-চিৰিকটি, মানুহ নাইবা কিছুমান জ্যামিতীয় আকৃতিৰ চিহ্ন অংকন ৰিছিল। তেওঁলোকে এই চিত্ৰবোৰ পৰ্বত, গুহাৰ গাত বা কোনো বস্তুৰ ওপৰত অংকন কৰিছিল। ই চিত্ৰবোৰৰ জৰিয়তে তেওঁলোকৰ মনৰ ভাৱ এজনৰ পৰা আনজনলৈ কঢ়িয়াই নিয়াত শ্চিতভাৱে সফল হৈছিল। কিয়নো আদি মানৱে বাস্তৱৰ ওপৰত ভিত্তি কৰিয়েই এই চিত্ৰবোৰ ংকন কৰিছিল। উদাহৰণস্বৰূপে, এজনে যদি এটা বাঘৰ ছবি অংকন কৰে তেতিয়া তেওঁৰ ৰত থকা আনজনে তেওঁ যে বাঘৰ কথা ভাবিছে তাক সহজেই অনুমান কৰিব পাৰিছিল। ময়ৰ অগ্ৰগতিত চিত্ৰলিপিৰ বিকাশ সাধন হোৱা দেখিবলৈ পোৱা যায়।

বৰ্তমান সময়তো চিত্ৰলিপিৰ প্ৰচলন থকা দেখিবলৈ পোৱা যায়। বৰ্তমান কালত ভৌগোলিক মান-চিত্ৰত পৰ্বত-পাহাৰ, নদ-নদী, কল-কাৰখানা আদিক আৰু পঞ্জিকাত থকা বোৰক, পূৰ্ণিমা, অমাৱস্যা, একাদশী আদি তিথিবোৰক চিত্ৰৰ দ্বাৰা বুজোৱা হয়।

**ভাৱমূলক লিপি ঃ** ভাৱমূলক লিপি হৈছে চিত্ৰলিপিৰ বিকশিত ৰূপ। অৰ্থাৎ লিপিৰ দি স্তৰ চিত্ৰই পৰিৱৰ্তিত হৈ চিত্ৰটোৰ মাজেৰেও যে ভাৱ প্ৰকাশ কৰিব পৰা যায় সেইটো াবলৈ সক্ষম হৈছিল। চিত্ৰলিপিত যিটো বস্তুৰ চিত্ৰ অংকন কৰা হৈছিল, সেই বস্তুটোহে ব্যক্ত ছিল; কিন্তু ভাৱ লিপিত বস্তুটোৰ মাজেৰে তাৰ বিমূৰ্ত ভাৱৰাশিবোৰ সুন্দৰভাৱে প্ৰতিফলিত উঠিছিল। উদাহৰণস্বৰূপে, চিত্ৰলিপিত গোলাকাৰ চিত্ৰটোৱে অকল সূৰ্য্যটো বুজাইছিল। ন্তু ভাৱলিপিত সূৰ্য্য যে দেৱতা ই উত্তপ্ত আৰু ইয়াৰ মাজেৰে যে পৃথিৱীবাসীয়ে পোহৰ লাভ

[redacted]
সেইটো বুজাব পাৰিছিল। তেনেদৰে মানুহৰ মুখাবয়ৰ চিত্ৰত চকুৰ কাষত টোপালৰ চিহ্নই দুখৰ ভাৱ প্ৰকাশ কৰে।

বৰ্তমান সময়তো ভাৱমূলক লিপিৰ ব্যৱহাৰ দেখা যায়। ৰাস্তা-ঘাট আদিৰ কাষত আঁৰি থোৱা চিত্ৰ-সম্বলিত ফলকবোৰে ৰাস্তা-ঘাটৰ পৰিৱেশ পৰিস্থিতিৰ বৰ্ণনা দিয়ে। আগত থকা দলং, ৰাস্তাৰ ভাজ, বিদ্যালয়ৰ অৱস্থিতি আদি খবৰ এই ফলকবোৰৰ পৰা পাব পাৰি। আধুনিক সময়ত জনপ্ৰিয় হৈ পৰা কাৰ্টুনবোৰো ভাৱলিপিৰে ৰূপান্তৰ।

**ভাৱ-ধ্বনিমূলক লিপি ঃ** চিত্ৰলিপিয়ে যিদৰে পৰিবৰ্তিত হৈ ভাৱলিপিত পৰিণত হ'ল ঠিক তেনেদৰে ভাৱলিপিও বিকশিত হৈ **ভাৱ-ধ্বনিমূলক লিপিত** পৰিণত হয়। এই লিপি চিত্ৰলিপি আৰু ধ্বনিৰূপৰ মিশ্ৰিত ফল। কিছুমান চিহ্ন চিত্ৰৰ নিচিনা আৰু কিছুমান আখৰৰ লেখীয়া। হড়প্পা আৰু মহেঞ্জোদাৰোত পোৱা চীল মোহৰৰ লিপি এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। মেচোপটেমিয়া, হিট্টী, মিছৰৰ পুৰণি লিপি আদিক ভাৱলিপি বুলি ভবা হয় যদিও প্ৰকৃতাৰ্থত এইবোৰ ভাৱ-ধ্বনিমূলক লিপিহে।

**ধ্বনিমূলক লিপি ঃ** লিপিৰ পূৰ্ণ বিকশিত ৰূপটোৱে হ'ল **ধ্বনিমূলক লিপি**। এই লিপিত চিহ্নবোৰে কোনো বস্তু বা ভাৱৰূপৰ প্ৰকাশ নকৰে। চিহ্নসমূহে ধ্বনিহে বুজায় আৰু সেই ধ্বনিবোৰে কোনো বস্তুৰ লগতে ভাৱৰ প্ৰকাশ কৰে।

ধ্বনিমূলক লিপিসমূহক **অক্ষৰাত্মক** আৰু **বৰ্ণাত্মক** —এই দুটা শিতানত ভাগ কৰিব পাৰি। অক্ষৰাত্মক লিপিত চিহ্নসমূহে ধ্বনি (বৰ্ণ) নুবুজায়। একোটা অক্ষৰহে সূচিত কৰে। অসমীয়া লিপি অক্ষৰাত্মক লিপিৰ উৎকৃষ্ট উদাহৰণ। ইয়াত ক, খ আদি চিহ্নৰ দ্বাৰা ক + অ, খ + অ আদি বৰ্ণ সমষ্টিহে বুজায়। একোটা গাইগুটীয়া বৰ্ণক নুবুজায়। বৰ্ণাত্মক লিপিত প্ৰত্যেকটো চিহ্নই একোটা ধ্বনি (বৰ্ণ) বিশেষক চিহ্নিত কৰে। ৰোমান লিপি এই শ্ৰেণীৰ লিপি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) অক্ষৰাত্মক লিপি আৰু বৰ্ণাত্মক লিপিৰ মাজত কি দিশত পাৰ্থক্য পৰিলক্ষিত হয়? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

২) চিত্ৰ লিপি আৰু ভাৱলিপিৰ মাজত পাৰ্থক্য কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .